www.cbseboardonline.com

**Series JBB** **SET-4**

**Code No. 15**

Roll No.

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **8** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* — *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* — *Maximum Marks : 80*

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 25 marks |
| SECTION C : Grammar | 20 marks |
| SECTION D : Literature/Text Books | 20 marks |

www.cbseboardonline.com

## SECTION A

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

অসমৰ চিত্ৰকলাৰ বুৰঞ্জী সপ্তম শতিকাৰ পৰাই আৰম্ভ হৈছে বুলিব পাৰি । সপ্তম শতিকাত কুমাৰ ভাস্কৰ বৰ্মনে মহাৰাজ হৰ্ষবৰ্ধনলৈ পঠিওৱা উপঢৌকনৰ লগত "পাত আৰু তুলিকা" সহকাৰে চিত্ৰাংকনৰ সঁজুলি পঠিওৱাৰ কথা জনা যায় । বাণভট্টৰ "হৰ্ষচৰিত" আৰু হিউৱেন চাঙৰ টোকাইও অসমত প্ৰাচীন কালৰ পৰা চিত্ৰকলাৰ চৰ্চা থকাৰ ইংগিত দিয়ে । অৱশ্যে "সকলো কলাৰ গুৰু" শংকৰদেৱেহে অসমত চিত্ৰকলাৰ সোনালী সুঁতি মুকলি কৰে । অসামান্য দক্ষতাৰ চিত্ৰশিল্পী শংকৰদেৱে চিহ্নযাত্ৰা ভাওনাৰ বাবে তুলাপাতত সাতখন বৈকুন্ঠৰ চিত্ৰ আঁকিছিল । আন এবাৰ তেঁও তুলাপাতত হেঙুলহাইতালেৰে হাতীৰ চিত্ৰ এটা আঁকি সেইটো এটা কাঠৰ বাকচত আঠাৰে লগাই কোঁচৰজা মহাৰাজ নৰনাৰায়ণক উপহাৰ দিছিল । নগাঁও জিলাৰ বালিসত্ৰত পোৱা শংকৰদেৱৰ দশম স্কন্ধ ভাগৱতখনৰ চিত্ৰবোৰ চিত্ৰশোভিত ধৰ্মপুথিৰ এক অনুপম চানেকী ।

অতীত অসমৰ সত্ৰসমূহ চিত্ৰকলাৰ প্ৰাণকেন্দ্ৰ আছিল । সত্ৰীয়া পুথি-পাজিৰ চিত্ৰত স্থানীয় পৰিবেশ, নীতি আৰু শৈলীৰ প্ৰতিফলন দেখা যায় । ভাগৱত আৰু পুৰাণৰ চিত্ৰবোৰত শিল্প নৈপুন্য আৰু কলাসুলভতা স্পষ্ট । এইবোৰত ৰঙৰ মিশ্ৰণ সাধাৰণতে খুব দৃঢ়, ৰংবোৰ প্ৰচুৰ পৰিমাণে প্ৰয়োগ কৰা হৈছে । পুথিসমূহত ৰঙা, নীলা আৰু হালধীয়া ৰঙৰ সঘন ব্যৱহাৰ পৰিলক্ষিত হয় । এই প্ৰাথমিক ৰং তিনিটাৰ লগত হেঙুল, হাইতাল, নীল, চাকিৰ কাজল, শিলিখাৰ ৰস আৰু খৰিমাটিৰ ৰং দিয়া হৈছিল । ৰঙৰ লগত সম্ভৱতঃ হাঁহকনীৰ কুহুম, ঔটেঙাৰ বীজ আৰু তেতেলীৰ আঠা ব্যৱহাৰ কৰিছিল । চিত্ৰবোৰৰ পটভূমিৰ ৰং সাধাৰণতে ৰঙা, নীলা, মটীয়া আৰু ধোঁৱা বৰনীয়া ।

সেইসময়ৰ অসমৰ চিত্ৰবোৰত দেৱতা, মনুষ্য, জন্তু আৰু অসুৰৰ মূৰ্তিৰ এফলীয়া মুখ অঁকাৰ ৰীতি আছিল । চিত্ৰবোৰত প্ৰাথমিক গাঢ় ৰঙৰ ব্যৱহাৰ চকুত পৰা । সেইদৰে অসুৰ-দৈত্য-দানৱক গোঁফডাড়ি দিয়া, আকাশ আঁকোতে ঘন নীলা ৰঙৰ ব্যৱহাৰ, পানীৰ বাবে নীলাৰ ওপৰত বগা ৰেখা দিয়া, বৰষুণৰ বাবে অসংখ্য বগা ৰঙৰ ব্যৱহাৰ আদি সেই সময়ৰ অসমৰ চিত্ৰকলাৰ বৈশিষ্ট্য ।

www.cbseboardonline.com

প্ৰাচীন অসমৰ ছবিবোৰত ধৰ্মীয় অক্ষোনেই প্ৰাধান্য লাভ কৰা দেখা যায় । এনে চিত্ৰবোৰক দুটা ঘাই ভাগত ভাগ কৰিব পাৰি – (১) সত্ৰসমূহত কৰা ধৰ্মগ্ৰন্থৰ চিত্ৰ আৰু (২) ৰাজ-পৃষ্ঠপোষকতাত কৰা ধৰ্মগ্ৰন্থৰ চিত্ৰ । ধৰ্মপুথিৰ চিত্ৰাংকনবোৰৰ কিছুমান নিজা বৈশিষ্ট্য আছিল । শংকৰদেৱৰ কীৰ্ত্তন পুথিৰ মনোমোহা চিত্ৰশোভিত বহু হাতেলিখা পুথি অসমৰ বিভিন্ন সত্ৰ আৰু ব্যক্তিৰ ওচৰত পোৱা গৈছে । ধৰ্মপুথিবোৰ চিত্ৰৰে সুশোভন কৰি তোলা আৰু চাৰিওকাষে জক্‌মকীয়া কৰি তোলাতো অসমৰ চিত্ৰকলাৰ এটা স্বকীয় ধাৰা হৈ পৰিল । এনে চিত্ৰৰ চাৰিওফালে লতা আৰু ফুলৰ নক্সা অঁকা হয় আৰু সেয়ে এনে চিত্ৰ থকা পুথিবোৰ লতাকটা পুথি নামেৰেও জনাজাত । চাৰিওফালৰ লতাৰ বাহিৰেও পুথিৰ বিষয়বস্তুৰ প্ৰকাশক বিভিন্ন চিত্ৰও পুথিৰ পাতত অঁকা হয় ।

সপ্তদশ আৰু অষ্টাদশ শতিকাত আহোম আৰু কোঁচ ৰজাসকলে অসমৰ চিত্ৰকলাৰ পৃষ্ঠপোষকতা কৰি চিত্ৰকলাত নতুন প্ৰাণশক্তিৰে সঞ্জীৱনী চালে । সুকুমাৰ বৰকাথৰ “হস্তীবিদ্যাৰ্ণৱ”, কবিৰাজ চক্ৰৱৰ্তীৰ “শংখচূড় বধ”, “গীত গোবিন্দ” আৰু হৰিবৰ বিপ্ৰৰ “লৱ-কুশৰ যুদ্ধ” আদি পুথিবোৰৰ বিতোপণ চিত্ৰাংকণ আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত হৈছিল ।

অসমৰ চিত্ৰাংকনৰ পুথিবোৰ অসম বুৰঞ্জী চিত্ৰিত কৰাৰ উপৰি হিন্দু মহাকাব্য আৰু পুৰাণৰ গল্পসমূহক লৈ ৰচনা কৰা অসমীয়া পুথিবোৰে । সুশোভিত কৰিছিল । ৰামায়ণ আৰু ভাগৱতৰ দশম স্কন্ধৰ বিষয়বস্তুক লৈ ৰচিত পুথিতে সৰহভাগ চিত্ৰ অঁকা পোৱা গৈছে । চতুৰ্দশ-পঞ্চদশ শতিকাৰ “লৱ-কুশৰ যুদ্ধ” ত অসমৰ সামগ্ৰিক চিত্ৰকলাৰ বৈশিষ্ট্য পৰিলক্ষিত হৈছে ।

ছেগা-চোৰোকাকৈ হ’লেও আহোম যুগৰ চিত্ৰকলাৰ চৰ্চা ইংৰাজৰ দিনলৈকে বৰ্তি আছিল । যোৱা শতিকাৰ শেষভাগত ঘনশ্যাম খাৰঘৰীয়া ফুকনে লিখা “কল্কিপুৰাণ” নামেৰে হাতে লিখা পুথিখনৰ লগেলগেই অসমীয়া চিত্ৰকলাৰ ইতিহাসৰো সামৰণি পৰিল বুলি ডঃ মহেশ্বৰ নেওগে উল্লেখ কৰিছে ।

(ক) শংকৰদেৱে অসমত চিত্ৰকলাৰ সোনালী সুঁতি মুকলি কৰিছিল বুলি কিয় কোৱা হৈছে ? *2*

(খ) চিত্ৰসমূহত কি কি ৰঙ, কেনেদৰে ব্যৱহাৰ কৰা হৈছিল ? *2*

www.cbseboardonline.com

(গ) অসমৰ চিত্ৰকলাৰ বৈশিষ্ট্য কি ? 2

(ঘ) প্ৰাচীন অসমৰ চিত্ৰবোৰক কি কি ভাগত ভগোৱা হৈছে ? 2

(ঙ) আহোম ৰজাসকলৰ দিনত চিত্ৰাংকনেৰে চিত্ৰিত পুথি কেইখনমানৰ নাম লিখা । 2

(চ) হিন্দু ধৰ্মৰ দুখন মহাকাব্যৰ নাম লিখা । 2

(ছ) প্ৰত্যয় ভাঙি দেখুওৱা – সত্ৰীয়া 1

(জ) এটা শব্দত প্ৰকাশ কৰা – সোনৰ দৰে বৰণ যাৰ 1

(ঝ) উপসৰ্গ বাচি উলিয়াই লিখা – সুশোভন 1

## SECTION B

**2.** (ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা – *1+3+1=5*

গজেন ককাৰ তিনিজন পুত্ৰ ________ তিনিওজন অকৰ্মণ্য ________ দেউতাকৰ সম্পত্তি বিচাৰিলে ________ দেউতাকে পথাৰত পুতি থোৱা বুলি ক'লে ________ গোটেই ৰাতি মাটি খান্দিলে ________ একো নাপালে ________ ককাই খেতি কৰিবলৈ ফ'লে ________ তিনিওজনে কথাৰ অৰ্থ বুজিলে –

**নাইবা**

(খ) তলত দিয়া যিকোনো ***এটা*** বিষয় লৈ এখন ৰচনা লিখা – 5

(i) কাতি বিহু

(ii) জীৱন চৰিত পাঠ

**3.** তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা সংগীত প্ৰতিযোগিতাখনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা) 5

www.cbseboardonline.com

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা – *5*

(ক) নাও বুৰিলেও টিঙৰ পৰা ননমা

(খ) লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি

**5.** তুমি পঢ়ি ভালপোৱা কিতাপ এখনৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা) *5*

**6.** তলত দিয়া বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দবোৰেৰে বাক্যৰচনা কৰা – (যিকোনো ***পাঁচটা***) *1×5=5*

(ক) টটাটিঙা

(খ) দীঘল দি পৰা

(গ) যাউতিযুগীয়া

(ঘ) দিহা-পোহা

(ঙ) ধোদৰ পচলা

(চ) লোদোৰ-পোদোৰ

## SECTION C

**7.** (ক) উপসৰ্গ বাচি উলিয়াই লিখা – *1×2=2*

(i) অভিনয়

(ii) নিৰাকাৰ

(খ) (i) মইনো পঢ়ি কি কৰিম ? – বাক্যটোত কি অনুসৰ্গ ব্যৱহাৰ হৈছে ? *1*

(ii) "ও" অনুসৰ্গ ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(গ) সন্ধি যোৰা লগোৱা – (যিকোনো ***দুটা***) *1×2=2*

(i) দুঃ+মতি

(ii) নিঃ+আকাৰ

(iii) তৎ+উপৰি

(ঘ) সমাৰ্থক শব্দ লিখা – (***এটাকৈ***) *2×1=2*

(i) বায়ু

(ii) পৃথিৱী

(ঙ) লিংগ পৰিবৰ্তন কৰা – (যিকোনো ***দুটাৰ***) *1×2=2*

(i) পুৰুষ

(ii) ককা

(iii) বলধ

(চ) বাক্য পৰিবৰ্তন কৰা – *1×2=2*

(i) অংকটো কঠিন আছিল; কিন্তু শিক্ষকজনে সহজকৈ বুজাই দিলে । (সৰল বাক্যলৈ)

(ii) যদিও তেঁও বিদ্যালয়লৈ যায়, তথাপি তেঁও পঢ়া-শুনা নকৰে । (যৌগিক বাক্যলৈ)

(ছ) এটা শব্দত প্ৰকাশ কৰা – *1×2=2*

(i) যি পৰৰ ওপৰত নিৰ্ভৰ কৰি চলে –

(ii) বৰষুণ নোহোৱা যি বতৰ –

(জ) বিপৰীতাৰ্থক শব্দ লিখা – *1×2=2*

(i) আপোন

(ii) উচিত

(ঝ) বাক্য শুদ্ধ কৰা – *1×2=2*

(i) বিপদত ধৈৰ্যতা ধৰিলেহে সান্তনা লভিব পাৰি ।

(ii) পণ্ডিত মণ্ডলী বৃন্দই ছাত্ৰবৃন্দক নানা উপদেশ দিছে ।

www.cbseboardonline.com

(ঞ) শুদ্ধ উত্তৰটা লিখা – (যিকোনো ***দুটা***) *1×2=2*

(i) বাটৰুৱা – বাট+ৰুৱা/বাটৰ+উৱা/বাট+অৰুৱা

(ii) জাবৰুৱা – ভাব+অৰুৱা/জাবৰ+উৱা/জাবৰু+আ

(iii) চাপৰিয়াল – চাপৰি+আল/চাপৰি+ইয়াল/চাপৰ+ইয়াল

## SECTION D

## (গদ্যভাগ)

**8.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4×1=4*

(ক) কমাৰশালত গঢ়িবলৈ হলে আগতে জুইশালত গঢ়ি চাব লাগিব – কথাষাৰ বুজাই লিখা ।

(খ) মোগল সম্ৰাট বাবৰৰ আমোলত ভাৰতত প্ৰৱেশ কৰা চিত্ৰকলাৰ নতুন ধাৰাটি কেনে আছিল লিখা ।

(গ) টেহৰাণৰ প্ৰাকৃতিক অৱস্থা কেনেকুৱা লিখা ।

**9.** চমু উত্তৰ লিখা – (যিকোনো ***এটাৰ***) *2×1=2*

(ক) ছাত্ৰসকলে কেনেদৰে গাঁওএখনক আদৰ্শগাঁও ৰূপে গঢ় দিব পাৰিব ?

(খ) চমু টোকা লিখা – পণ্ডিত ৰাহুল সংকৃত্যায়ণ

(গ) বুশ্বেৰ চহৰৰ এটা বিৱৰণ দিয়া ।

**10.** অতি চমু উত্তৰ লিখা – *1×4=4*

(ক) বুশ্বেৰৰ বিমান বন্দৰটোক কিয় গুৰুত্বপূৰ্ণ বুলিছে ?

(খ) ভাৰতৰ প্ৰায়বোৰ তৈলক্ষেত্ৰ কেনেকুৱা শিলাস্তৰত অৱস্থিত ?

(গ) সৰ্বপল্লী ৰাধাকৃষ্ণণ কোন ?

(ঘ) শব্দ-অৰ্থ লিখা – ডেম-ডেউকা

www.cbseboardonline.com

## (পদ্যভাগ)

**11.** অতি চমু উত্তৰ লিখা – *1×4=4*

(ক) বৰগীতৰ ভাষা কি ?

(খ) কোনজন আহোম স্বৰ্গদেৱৰ দিনত আজান ফকীৰ অসমলৈ আহিছিল ?

(গ) কবিয়ে কিমান বছৰ আগতে মানুহজনক লগ পাইছিল ?

(ঘ) হৰেকৃষ্ণ ডেকাৰ একমাত্ৰ উপন্যাসখনৰ নাম লিখা ।

**12.** চমু উত্তৰ লিখা – (যিকোনো ***এটাৰ***) *2×1=2*

(ক) সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিক কি কৈছিল ?

(খ) "জিকিৰ"ৰ কবিজনাৰ নাম আজানফকীৰ কিয় হৈছিল ?

(গ) চমু টোকা লিখা – শ্ৰী শ্ৰী মাধৱদেৱ

**13.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4×1=4*

(ক) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা –

কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ ।
কহয় মাধৱ হৰি দাসকু দাস ।।

(খ) ব্যাখ্যা কৰা –

পাণী মৰে পিয়াহত অগ্নি মৰে জাৰত ।
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত ।।

(গ) "দৃশ্যান্তৰ" কবিতাটোৰ মাজেৰে সামাজিক জীৱনৰ ৰূপ কেনেদৰে প্ৰতিফলিত হৈছে ?